# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date : 24**-04-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
## HEADLINES

::::::::::::::::::::::::::::::::::::::::::::

১। পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত কালি অভিলেখ ভোটদান হয়। এই পৰ্যায়ত ৯২ দশমিক ৮-৮ শতাংশ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰে।

২। পঞ্চয়তীৰাজ মন্ত্ৰ্যালয়ে আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় পঞ্চায়তীৰাজ দিৱস পালন কৰিব।

৩। বিহাৰৰ মুখ্যমন্ত্ৰী সম্ৰাট চৌধৰীয়ে আজি বিধানসভাত আস্থাৰ ভোট বিচাৰিব।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ইৰানৰ বিৰুদ্ধে যুদ্ধত পাৰমাণৱিক অস্ত্ৰ প্ৰয়োগৰ সম্ভাৱনা নুই কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা চেন্নাই ছুপাৰ কিংছে মুম্বাই ইণ্ডিয়ানছক ১০৩ ৰানত পৰাস্ত কৰে।

০০০০

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত কালি অভিলেখ ভোটদান হয়। এই পৰ্যায়ত ৯২ দশমিক ৮-৮ শতাংশ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰে। ৰাজ্যখনৰ ইতিহাসত দেশে স্বাধীনতা লাভৰ পাছৰে পৰা বৰ্তমানলৈকে এয়া ভোটদানৰ সৰ্বাধিক হাৰ। পশ্চিমবংগত পুৰুষৰ ভোটদানৰ হাৰ ৯০ দশমিক ৯-২ শতাংশৰো অধিক হোৱাৰ বিপৰীতে মহিলাৰ হাৰ ৯২ দশমিক ৬-৯ শতাংশ হয়। তৃতীয় লিংগৰ ৫৬ দশমিক ৭-৯ শতাংশ ভোটদাতাই প্ৰথম পৰ্যায়ত ভোটদানৰ অধিকাৰ সাব্যস্ত কৰে।

ইপিনে তামিলনাডুত কালি এটা পৰ্যায়ত অনুষ্ঠিত বিধানসভা নিৰ্বাচনত ৮৫ পইণ্ট ১-৫ শতাংশ ভোটদান হয়। ৰাজ্যখনত পুৰুষৰ ভোটদানৰ হাৰ ৮৩ দশমিক ৪-৯ শতাংশ হোৱাৰ বিপৰীতে ৮৫ দশমিক ৭-৬ শতাংশ মহিলাই এইবেলি গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে।

মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ, নিৰ্বাচন আয়ুক্তদ্বয় ড০ এছ্ এছ্ সান্ধু আৰু ড০ বিবেক যোশীয়ে কালি ৱেবকাষ্টৰ জৰিয়তে দুয়োখন ৰাজ্যৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া নিৰীক্ষণ কৰে। ইফালে গুজৰাটৰ উমৰেঠ বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত ৫৯ দশমিক ০-৩ শতাংশ আৰু মহাৰাষ্ট্ৰৰ বাৰামতি আৰু ৰাহুৰি বিধানসভা সমষ্টিৰ বাবে হোৱা উপ-নিৰ্বাচনত ক্ৰমে ৫৭ দশমিক ৪-৮ শতাংশ আৰু ৫৫ দশমিক ৩-১ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে।

০০০০

পঞ্চয়তীৰাজ মন্ত্ৰ্যালয়ে আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় পঞ্চায়তীৰাজ দিৱস পালন কৰিব। অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাৰ্তা পাঠ কৰা হ'ব বুলি মন্ত্ৰ্যালয়ে জানিবলৈ দিছে। মন্ত্ৰ্যালয়ে লগতে প্ৰধানমন্ত্ৰীৰ বাৰ্তা সমগ্ৰ দেশৰ পঞ্চায়তীৰাজ প্ৰতিষ্ঠান আৰু গ্ৰাম্য স্থানীয় নিকায়সমূহৰ নিৰ্বাচিত প্ৰতিনিধি আৰু বিষয়ববীয়াসকলৰ মাজত প্ৰচাৰ কৰা হ'ব বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত আয়োজিত ৰাষ্ট্ৰী পৰ্যায়ৰ এই অনুষ্ঠান পঞ্চায়তীৰাজ দপ্তৰৰ ৰাজ্য মন্ত্ৰী প্ৰফেছৰ এছ্ সিং বাঘেল, মন্ত্ৰ্যালয়ৰ সচিব আৰু অন্য

জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকিব। অনুষ্ঠানত পঞ্চায়ত অগ্ৰগতি সূচ্যাংক আৰু **মেৰি পঞ্চায়ত মেৰি ধৰোহৰ** বিষয়ক তিনিখন গ্ৰন্থ উন্মোচন কৰা হ'ব। সমগ্ৰ দেশৰ পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহক সাংবিধানিক মৰ্যাদা আৰু আইনী স্বীকৃতি প্ৰদান কৰা ঐতিহাসিক ৭৩ সংখ্যক সংবিধান সংশোধনী আইন কাৰ্যকৰী হোৱাৰ সৈতে সংগতি ৰাখি প্ৰতিবছৰে এই দিৱস পালন কৰা হয়।

০০০০

বিহাৰৰ মুখ্যমন্ত্ৰী সম্ৰাট চৌধৰীয়ে আজি বিধানসভাৰ বিশেষ এদিনীয়া অধিৱেশনত আস্থাৰ ভোট বিচাৰিব। বিধানসভা সচিবালয়ে জাৰি কৰা আনুষ্ঠানিক অধিসূচনা অনুসৰি দিনৰ ১১ বজাত অধিৱেশন আৰম্ভ হ'ব আৰু মুখ্যমন্ত্ৰীয়ে আস্থাৰ ভোট উত্থাপন কৰিব। সকলো দলে তেওঁলোকৰ মন্ত্ৰী বিধায়কক সদন উপস্থিত থাকিবলৈ আহ্বান জনাইছে। সম্ৰাট চৌধৰীয়ে যোৱা ১৫ এপ্ৰিলত ৰাজ্যখনৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিছে আৰু নিয়ম অনুযায়ী আজি তেওঁ সদনত আস্থাৰ ভোট বিচাৰিব। ২৪৩ জনীয়া বিহাৰ বিধানসভাত এন ডি এৰ ২০১ গৰাকী সদস্য আছে। সংখ্যাগৰিষ্ঠতা প্ৰমাণৰ বাবে ১২২ গৰাকী সদস্যৰ সমৰ্থনৰ আৱশ্যক।

০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ইৰানৰ বিৰুদ্ধে যুদ্ধত পাৰমাণৱিক অস্ত্ৰ প্ৰয়োগৰ সম্ভাৱনা নুই কৰিছে। শ্ৰী ট্ৰাম্পে কয়, যে তেওঁ ইৰানৰ সৈতে শ্ৰেষ্ঠ শান্তি চুক্তি সম্পাদিত হ'ব বুলি আশা কৰে যদিও এই ক্ষেত্ৰত খৰখেদা কৰিব নোখোজে। তেওঁ লগতে কাকোৱে পাৰমাণৱিক অস্ত্ৰ ব্যৱহাৰৰ অনুমতি প্ৰদান কৰা উচিত নহয় বুলি মন্তব্য কৰে। তেহৰান মহলে এটা একীকৃত প্ৰস্তাৱ দাখিল নকৰা পৰ্যন্ত ইৰানৰ সৈতে যুদ্ধ বিৰতিৰ ম্যাদ ঘোষণা কৰাৰ দুদিন পাছত যোৱা নিশা হোৱাইট হাউছত এখন সংবাদমেলত শ্ৰী ট্ৰাম্পে এইদৰে মন্তব্য কৰে। ট্ৰাম্প প্ৰশাসনে ইৰানৰ উদাৰবাদী আৰু ৰক্ষণশীলসকলৰ মাজত অভ্যন্তৰীণ মতভেদ আছে আৰু এনে মত পাৰ্থক্যৰ বাবে দেশখন সুসংগত ব্যৱস্থা গ্ৰহণত জটিলতাৰ সন্মুখীন হোৱা বুলি বিশ্বাস কৰে। ইৰানৰ নেতৃত্ব সন্দৰ্ভত শ্ৰী ট্ৰাম্পে কয়, যে দেশখনত বিশৃংখল পৰিস্থিতিৰ উদ্ভৱ হৈছে আৰু নেতাসকল দেশখন কোনে নিয়ন্ত্ৰণ কৰিব তাক লৈ পৰস্পৰৰ মাজত কাজিয়াত লিপ্ত হৈছে। ৰাষ্ট্ৰপতিগৰাকীয়ে ইৰানৰ সৈতে শ্ৰেষ্ঠ আৰু শক্তিশালী চুক্তিত গুৰুত্ব আৰোপ কৰে।

ইপিনে ট্ৰাম্পে ইজৰাইল আৰু লেবাননৰ মাজত যুদ্ধ বিৰতি তিনি সপ্তাহৰ বাবে বৃদ্ধি কৰা হ'ব বুলি ঘোষণা কৰিছে। এয়া পশ্চিম এছিয়াৰ সংঘৰ্ষৰ ফলত উদ্ভৱ হোৱা উত্তেজনা হ্ৰাস কৰাৰ দিশৰ পৰা ইতিবাচক পদক্ষেপ ৰূপে বিবেচিত হৈছে। উপ-ৰাষ্ট্ৰপতি জে ডি ভেন্স, বিদেশ মন্ত্ৰী মাৰ্কো ৰুবিঅ' আৰু আমেৰিকাৰ অন্য বিষয়ববীয়াসকলৰ মাজত কালি অ'ভেল কাৰ্যালয়ত ইজৰাইল আৰু লেবাননৰ উচ্চস্তৰীয় প্ৰতিৰোধীবৰ্গৰ সৈতে হোৱা আলোচনাৰ অন্তত এই ঘোষণা কৰা হয়।

০০০০

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে আজি উত্তৰ প্ৰদেশৰ লক্ষ্ণৌত উত্তৰ অঞ্চল কৃষি সন্মিলনৰ আয়োজন কৰিছে। কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহান এই সন্মিলনত উপস্থিত থাকিব। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই সন্মিলনে কৃষিক নতুন অৱধাৰণা, আধুনিক প্ৰযুক্তি আৰু নতুন বজাৰৰ সৈতে সংযুক্ত কৰাৰ বাবে এখন মঞ্চ প্ৰদান কৰিব। সন্মিলনত নকল কীটাণুনাশক আৰু সাৰৰ নিয়ন্ত্ৰণ, সাৰৰ কলা বজাৰ ৰোধ, বিতৰণ ব্যৱস্থাৰ উন্নয়ন আৰু সুষম ব্যৱহাৰত উদগনিৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহক লৈ আলোচনা কৰা হ'ব।

০০০০

সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ে চণ্ডিগড়ত আজিৰে পৰা তিনি দিনীয়া কাৰ্যসূচীৰে অন্তোদয়াৰ সংকল্প, অমৃত কালৰ প্ৰতিবিম্ব- বিকশিত ভাৰত ২০৪৭ বিষয়ক চিন্তন শিবিৰৰ আয়োজন কৰিছে। এই চিন্তন শিবিৰৰ মূল লক্ষ্য হৈছে সামাজিক

ন্যায়ৰ পদক্ষেপসমূহ শক্তিশালী কৰা, মূল আঁচনিসমূহৰ ৰূপায়ণ উন্নত কৰা আৰু প্ৰান্তীয় সম্প্ৰদায়সমূহৰ অন্তৰ্ভুক্তি আৰু বহনক্ষম উন্নয়নৰ বাবে এখন কাৰ্যকৰী ৰোড মেপ প্ৰস্তুত কৰা। মন্ত্ৰালয়ে কয়, যে এই বিষয়বস্তুৱে অমৃতকালৰ দৃষ্টিভংগীৰ সৈতে সামঞ্জস্যপূৰ্ণভাৱে সৰ্বাংগীন সৰলীকৰণৰ প্ৰতি থকা দায়বদ্ধতা কাৰ্যক্ষম কৰি তুলিছিল। উল্লেখযোগ্য যে, কেন্দ্ৰীয় সামাজিক ন্যায় আৰু সৰলীকৰণ মন্ত্ৰী ড০ বিৰেন্দ্ৰ কুমাৰ আৰু কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামদাস আথাৱলে এই শিবিৰৰ সভাপতিত্ব কৰিব। এই শিবিৰে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ মাজত সমন্বয় শক্তিশালী কৰাৰ ক্ষেত্ৰত এখন শক্তিশালী মঞ্চ হিচাপে ভূমিকা পালন কৰিব।

০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমন আৰু ইলেকট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ সভাপতিত্বত অনুসূচীত বাণিজ্যিক বেংকৰ সৈতে হোৱা এক উচ্চ পৰ্যায়ৰ বৈঠকত কৃত্ৰিম বুদ্ধিমত্তৰ আৰ্হিৰ শেহতীয়া উন্নয়নৰ সৈতে জড়িত ভাবুকিৰ সম্ভাব্য প্ৰভাবৰ মূল্যায়ণ কৰা হয়। বৈঠকত বিত্তীয় প্ৰতিষ্ঠান আৰু বেংকসমূহৰ মাজত উচ্চ পৰ্যায়ৰ সতৰ্কতা প্ৰস্তুতি আৰু উন্নত সমন্বয়ৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰা হয়। শ্ৰী মতী সীতাৰমণে ভাৰতীয় বেংক সন্থাক এনে যিকোনো ভাবুকিৰ প্ৰতি দ্ৰুত আৰু ফলপ্ৰসূভাৱে সহাৰি জনাবলৈ সমন্বিত প্ৰতিষ্ঠানগত ব্যৱস্থা গঢ়ি তুলিবলৈ পৰামৰ্শ দিয়ে। তেওঁ লগতে বেংকসমূহৰ নিৰীক্ষণ ক্ষমতাক শক্তিশালী কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৩ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত চেন্নাই ছুপাৰ কিংছে মুম্বাই ইণ্ডিয়ানছক ১০৩ ৰানত পৰাস্ত কৰে। মুম্বাই ইণ্ডিয়ানছে ২০৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১০৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬ টা উইকেটৰ বিনিময়ত ২০৭ ৰান কৰে। চেন্নাইৰ হৈ অধিনায়ক সঞ্জু ছেমছনে ৫৪ টা বলত ১০১ ৰান কৰি আউট নোহোৱাকৈ থাকে। সঞ্জু ছেমছনক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰু, গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ